# <u>অধ্যায়-৩</u>

# বেংক
# (BANK)

**বেংকৰ অৰ্থ আৰু সংজ্ঞা ঃ**

বেংক হৈছে এক বিত্তীয় প্ৰতিষ্ঠান। ই ধন আৰু ঋণৰ লেনদেন কৰে। ইয়াত বিভিন্ন মৌদ্ৰিক দলীল যেনে— চেক, বিনিময় বিল, প্ৰতিশ্ৰুতি পত্ৰ, ড্ৰাফ্‌ট আদিৰ লেনদেনও অন্তৰ্ভুক্ত থাকে। বেংক হৈছে লাভ উপাৰ্জন কৰা বিত্তীয় প্ৰতিষ্ঠান। সাধাৰণতে বেংকে ৰাইজৰ পৰা মুদ্ৰা বা মুদ্ৰাৰ সমতুল্য জমা গ্ৰহণ কৰে। এনেদৰে গ্ৰহণ কৰা জমা ঋণ লওঁতাসকলক ঋণ দিয়া বা বিনিয়োগৰ উদ্দেশ্যে ব্যৱহাৰ কৰা হয়। জমা আৰু ঋণৰ ওপৰত সূতৰ হাৰৰ পাৰ্থক্য হৈছে বেংকৰ লাভ।

'বেংক' শব্দটোৰ ওপৰত সাৰ্বজনীনভাৱে স্বীকৃত সংজ্ঞা দিয়াটো অতি কঠিন। ইয়াৰ কাৰণ হৈছে বিভিন্ন বেংকৰ দ্বাৰা প্ৰদান কৰা বিভিন্ন সেৱা আৰু বেংকৰ সংজ্ঞা সম্পৰ্কে পণ্ডিতসকলৰ মাজত মতভেদ। বেংক শব্দটোৰ ওপৰত স্পষ্ট ধাৰণা আহৰণৰ বাবে নিম্নলিখিত সংজ্ঞাবোৰ উল্লেখ / উপস্থাপন কৰা হ'ল।

১৯৪৯ চনৰ বেংকিং নিয়ন্ত্ৰণ আইনৰ ৫ (খ) ধাৰা অনুসৰি "ঋণদান বা বিনিয়োগৰ উদ্দেশ্যে জনসাধাৰণৰ পৰা গৃহীত আমানত জমাদাতা গ্ৰাহকৰ তাগিদামতে বা অন্য প্ৰকাৰে পৰিশোধ কৰা আৰু চেক, ড্ৰাফ্‌ট বা অন্য উপায়ে তাক উলিয়াই দিয়া কাৰ্যকে বেংকিং বোলে।"

বেংকিং নিয়ন্ত্ৰণ আইন, ১৯৪৯ ৰ ধাৰা ৫ (গ) অনুসৰি "বেংকি কোম্পানীৰ অৰ্থ হৈছে যিকোনো কোম্পানী যি ভাৰতত বেংকিং ব্যৱসায় কৰে।"

আৰ পি কেণ্টৰ মতে "বেংক হৈছে এক প্ৰতিষ্ঠান যি জনসাধাৰণৰ পৰা অস্থায়ীভাৱে নিষ্ক্ৰিয় ধন সংগ্ৰহ কৰে আৰু প্ৰয়োজন অনুসৰি আন লোকক ঋণ দিয়ে।"

বেংকিঙৰ পিতৃ ছাৰ জন পেগেটে বেংকৰ সংজ্ঞা অলপ বহল ভিত্তিত দাঙি ধৰিছে । তেওঁৰ মতে কোনো ব্যক্তি বা প্ৰতিষ্ঠান বা অন্য কাৰোবাক বেংক বুলি ক'ব নোৱাৰি যদিহে তেওঁ—

১) ম্যাদী জমা গ্ৰহণ নকৰে।

২) চলিত হিচাবত জমা নলয়।

৩) চেকত আদান-প্ৰদান নকৰে আৰু

৪) গ্ৰাহকৰ হকে মুকলি বা ৰেখিত চেক সংগ্ৰহ নকৰে।

কেয়াৰ্ণ ক্ৰছৰ মতে, "বেংক হৈছে এক বিত্তীয় মধ্যস্থতাকাৰী প্ৰতিষ্ঠান যি ঋণ আৰু অগ্ৰিমৰ লেনদেন কৰে।"

**বেংক, বেংকাৰ, বেংকিং বা কোম্পানী শব্দটোৰ ব্যৱহাৰ ঃ**

বেংকিং নিয়ন্ত্ৰণ আইন, ১৯৪৯ৰ ৭ নম্বৰ ধাৰা অনুসৰি বেংকিং কোম্পানীৰ বাহিৰে আন কোনো কোম্পানীয়ে ইয়াৰ নামৰ অংশ হিচাপে 'বেংক' 'বেংকাৰ' বা 'বেংকিং' শব্দৰ কোনোটো ব্যৱহাৰ কৰিব নোৱাৰিব আৰু কোনো কোম্পানীয়ে ভাৰতত বেংকিংৰ ব্যৱসায় চলাব নোৱাৰে, যদিহে ই ইয়াৰ নামৰ অংশ হিচাপে কমেও এটা এনে শব্দ ব্যৱহাৰ নকৰে।

**বেংক / বেংকিঙৰ বৈশিষ্ট্য ঃ**

বেংকৰ বিভিন্ন বৈশিষ্ট্যসমূহ তলত উল্লেখ কৰা হ'ল—

১) বেংক হৈছে এক বিত্তীয় প্ৰতিষ্ঠান ঃ ই এক আৰ্থ-সামাজিক প্ৰতিষ্ঠান নহয়।

২) ই ধনৰ লেনদেন কৰে ঃ বেংকে ৰাইজৰ পৰা ধন জমা গ্ৰহণ কৰে আৰু সেইবোৰ পুঁজিৰ / ধনৰ প্ৰয়োজন থকা লোকসকলক ঋণ হিচাপে আগবঢ়ায়। জমাবোৰ বিভিন্ন প্ৰকাৰৰ হ'ব পাৰে— সঞ্চয় জমা, চলিত জমা, স্থায়ী জমা, পৌনঃপুনিক জমা ইত্যাদি।

৩) জমাবোৰ উলিয়াব পৰা হ'ব লাগিব ঃ ৰাইজৰ পৰা গ্ৰহণ কৰা জমাবোৰ চেক, ড্ৰাফ্ট বা অন্য প্ৰকাৰে উলিয়াব পৰা হ'ব লাগিব।

৪) দাবী/তাগিদা অনুসৰি পৰিশোধ যোগ্য জমা ঃ ৰাইজৰ পৰা গ্ৰহণ কৰা জমাবোৰ দাবী/তাগিদা অনুসৰি বা অন্য প্ৰকাৰে পৰিশোধযোগ্য হ'ব লাগিব।

৫) ই ঋণৰ লেনদেন কৰে ঃ বেংকবোৰ হৈছে ঋণ সৃষ্টি কৰিব পৰা প্ৰতিষ্ঠান। "ঋণ সৃষ্টি হৈছে

বেংকিঙৰ এক অনন্য বৈশিষ্ট্য।”

৬) বাণিজ্যিক প্ৰকৃতি ঃ বেংক হৈছে এক বাণিজ্যিক প্ৰতিষ্ঠান। লাভ অৰ্জনৰ লক্ষ্যৰে সকলো বেংকিং কাৰ্য সম্পাদন কৰা হয়।

৭) প্ৰতিনিধিৰ চৰিত্ৰ ঃ বেংকবোৰে তেওঁলোকৰ বিভিন্ন প্ৰতিনিধিত্বমূলক সেৱাৰ বাবে ইয়াৰ গ্ৰাহকৰ প্ৰতিনিধি হিচাপে কাম কৰে।

৮) বেংকিং প্ৰকৃতি ঃ বেংকাৰ এজনৰ মুখ্য ব্যৱসায় বেংকিং প্ৰকৃতিৰ হ'ব লাগিব।

৯) বিত্তীয় সেৱা প্ৰদান কৰে ঃ বেংকে ইয়াৰ গ্ৰাহকসকলক বিভিন্ন বিত্তীয় সেৱা প্ৰদান কৰে।

১০) বেংকিং কোম্পানীৰ নাম ঃ এটা বিত্তীয় প্ৰতিষ্ঠানে বেংক হিচাপে বিবেচিত হ'বলৈ ইয়াৰ নামৰ অংশ হিচাপে চাৰিটা শব্দ 'বেংক, 'বেংকাৰ', 'বেংকিং' বা বেংকিং কোম্পানীৰ ভিতৰত কমেও এটা শব্দ ব্যৱহাৰ কৰিব লাগিব।

১১) অনুমোদিত দলীলৰ ব্যৱহাৰ ঃ বেংকিং লেনদেন কিছুমান অনুমোদিত দলীল বা আন যিকোনো পদ্ধতিৰ জৰিয়তে কৰিব লাগে যিটো বেংকাৰ আৰু গ্ৰাহকৰ মাজত হোৱা চুক্তিত উল্লেখ কৰা হৈছে।

**বেংকৰ প্ৰকাৰ ঃ**

বেংক হৈছে এক বিত্তীয় প্ৰতিষ্ঠান। ই বিত্তীয় ব্যৱস্থাৰ অপৰিহাৰ্য অংশ। ই অৰ্থনৈতিক বিকাশত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। অৰ্থনৈতিক বিকাশ হৈছে অৰ্থনীতিৰ বিভিন্ন খণ্ডৰ বিকাশৰ ফলাফল। অৰ্থনীতিৰ বিভিন্ন খণ্ডক ইয়াৰ বিকাশৰ বাবে বিভিন্ন বিত্তীয় সেৱাৰ প্ৰয়োজন। ফলস্বৰূপে অৰ্থনীতিৰ বিভিন্ন খণ্ডক বিভিন্ন সেৱা প্ৰদান কৰিবলৈ বিভিন্ন প্ৰকাৰৰ বেংক স্থাপন কৰা হৈছে। তদুপৰি, বিশেষীকৰণৰ যুগত অৰ্থনীতিৰ বিভিন্ন খণ্ডক বিভিন্ন বিশেষ সেৱা প্ৰদান কৰাৰ বাবে বিভিন্ন বেংক স্থাপন কৰা হয়। অধ্যায় ৪, ৫, আৰু ৬-ত বিভিন্ন প্ৰকাৰৰ বেংক যেনে— (১) কেন্দ্ৰীয় বেংক, (২) বাণিজ্যিক বেংক, (৩) বিনিময় বেংক, (৪) আঞ্চলিক গ্ৰাম্য বেংক, (৫) বিনিয়োগ বেংক, (৬) উন্নয়ন বেংক, (৭) ৰপ্তানী-আমদানি বেংক, (৮) সমবায় বেংক, (৯) কৃষি বেংক, (১০) ভূমি উন্নয়ন বেংক, (১১) সঞ্চয় বেংক আৰু (১২) আন্তঃৰাষ্ট্ৰীয় বেংক আদিৰ বিষয়ে আলোচনা আগবঢ়োৱা হ'ল।

——

## সাৰাংশ

- **বেংকৰ অৰ্থ ঃ**

বেংক হৈছে এক বিত্তীয় প্ৰতিষ্ঠান। ই মুদ্ৰা আৰু ঋণৰ লেনদেন কৰে। ইয়াত বিভিন্ন মৌদ্ৰিক দলীল যেনে— চেক, বিনিময় বিল, প্ৰতিশ্ৰুতি পত্ৰ, ড্ৰাফ্‌ট আদিৰ লেনদেনও অন্তৰ্ভুক্ত থাকে। বেংক হৈছে লাভ উপাৰ্জন কৰা বিত্তীয় প্ৰতিষ্ঠান।

- **বেংকৰ সংজ্ঞা ঃ** ১৯৪৯ চনৰ বেংকিং নিয়ন্ত্ৰণ আইনৰ ৫ (খ) ধাৰা অনুসৰি "ঋণদান বা বিনিয়োগৰ উদ্দেশ্যে জনসাধাৰণৰ পৰা গৃহীত আমানত জমাদাতা গ্ৰাহকৰ তাগিদামতে বা অন্য প্ৰকাৰে পৰিশোধ কৰা আৰু চেক, ড্ৰাফ্ট বা অন্য উপায়ে তাক উলিয়াই দিয়া কাৰ্যকে বেংকিং বোলে।"

বেংকিং নিয়ন্ত্ৰণ আইন, ১৯৪৯ ৰ ধাৰা ৫ (গ) অনুসৰি "বেংকি কোম্পানীৰ অৰ্থ হৈছে যিকোনো কোম্পানী যি ভাৰতত বেংকিং ব্যৱসায় কৰে।"

- **বেংক / বেংকিঙৰ বৈশিষ্ট্য—** (১) বেংক হৈছে এক বিত্তীয় প্ৰতিষ্ঠান (২) ই মুদ্ৰাৰ লেনদেন কৰে (৩) জমাবোৰ উলিয়াব পৰা হ'ব লাগিব (৪) চাহিদা অনুসৰি পৰিশোধ যোগ্য জমা (৫) ই ঋণৰ লেনদেন কৰে (৬) বাণিজ্যিক প্ৰকৃতি (৭) প্ৰতিনিধিৰ চৰিত্ৰ (৮) বেংকিং প্ৰকৃতি (৯) বিত্তীয় সেৱা প্ৰদান কৰে (১০) বেংকিং কোম্পানীৰ নাম (১১) অনুমোদিত দলীলৰ ব্যৱহাৰ।
- **বিভিন্ন প্ৰকাৰৰ বেংকসমূহ হ'ল—** (১) কেন্দ্ৰীয় বেংক, (২) বাণিজ্যিক বেংক, (৩) বিনিময় বেংক, (৪) আঞ্চলিক গ্ৰাম্য বেংক, (৫) বিনিয়োগ বেংক, (৬) উন্নয়ন বেংক, (৭) ৰপ্তানী-আমদানি বেংক, (৮) সমবায় বেংক, (৯) কৃষি বেংক, (১০) ভূমি উন্নয়ন বেংক, (১১) সঞ্চয় বেংক আৰু (১২) আন্তঃৰাষ্ট্ৰীয় বেংক।

——